# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-05-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*
0000000

ৰাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ পৰিপ্ৰেক্ষিতত কেইবাখনো জিলাত বিদ্যালয়ৰ পাঠদানৰ সময়-সূচী সালসলনিৰ নিৰ্দেশ জাৰি কৰা হৈছে। যোৰহাট জিলাত উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনৰ নিৰ্দেশ মৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয় পাঠদানৰ সময়-সূচী সন্দৰ্ভত কিছু নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক গৰমৰ পৰা সকাহ দিয়াৰ উদ্দেশ্যেৰে বিদ্যালয়ৰ স্বাভাৱিক সময়-সূচী আগুৱাই আনি নতুন সূচী নিৰ্দ্ধাৰণ কৰা হৈছে। নিৰ্দেশনা অনুসৰি নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পুৱা চাৰে ৭ বজাৰ পৰা ১ বজালৈ পাঠদানৰ সময়-সূচী নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে পুৱা প্ৰাৰ্থনা সভা ছাঁ পৰা ঠাই অথবা শ্ৰেণীকোঠাত অনুষ্ঠিত কৰাৰ লগতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে বিশুদ্ধ খোৰাপানীৰ ব্যৱস্থা, শ্ৰেণীকোঠাসমূহত বিজুলী পাংখাৰ সুনিশ্চিতি কৰাৰ বিষয়ে বিদ্যালয় পৰিদৰ্শকে নিৰ্দেশ জাৰি কৰে। নিৰ্দেশনাটোত ছাত্ৰ-ছাত্ৰীসকলৰ সাজ-পোছাকৰ ক্ষেত্ৰত ব্লেজাৰ, কোট, টাই আদি পৰিধান কৰাৰ পৰা বিৰত ৰখাৰ লগতে জোতা পিন্ধি অস্বস্তি অনুভৱ কৰিলে চেণ্ডেল পৰিধান কৰিব পাৰিব বুলি কোৱা হৈছে। গৰমৰ সময়ছোৱাত বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কোনো ধৰণৰ বহিঃক্ৰীড়াজাতীয় কাৰ্যসূচী আয়োজন কৰিব নোৱাৰিব বুলিও নিৰ্দেশনাটোত কোৱা হৈছে। বিদ্যালয় চৌহদৰ সমীপত আইচক্ৰীম, ফুস্কাৰ দৰে ভজা-পোৰা জাতীয় খাদ্য বিক্ৰী কৰাৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই তীক্ষ্ণ দৃষ্টি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক এইবোৰ খোৱাৰ পৰা বিৰত ৰাখিবলৈ বিদ্যালয় পৰিদৰ্শকে আহ্বান জনাইছে। এই নিৰ্দেশনা কাইলৈৰ পৰা পৰৱৰ্ত্তী আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

নলবাৰী জিলাতো জিলাখনৰ অতিৰিক্ত আয়ুক্তই দিয়া নিৰ্দেশ অনুযায়ী নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১১ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহ পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১১ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ কাৰণে পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ পাঠদানৰ সময়সূচী পুনঃনিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিদ্যালয়সমূহত পুৱা প্ৰাৰ্থনা সভা বিদ্যালয় প্ৰাঙ্গনৰ পৰিৱৰ্তে শ্ৰেণীকোঠাত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কাইলৈৰ পৰা কাৰ্যকৰী হ'বলগীয়া নিৰ্দেশনাটো অনুযায়ী বিদ্যালয় কৰ্তৃপক্ষক প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ কোৱা হৈছে।

কামৰূপ মহানগৰ, চিৰাং আৰু শোণিতপুৰ জিলাতো জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ, উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

একেদৰে, মৰিগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা ১১ বাজি ১৫ মিনিটলৈ আৰু উচ্চ প্ৰাথমিক শ্ৰেণীৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ৫৫ মিনিটলৈ ধাৰ্য কৰা হৈছে।

বঙাইগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১০ বজালৈ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

ইপিনে, কাৰ্বি আংলং জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১ বজালৈ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে বিদ্যালয়সমূহক নিৰ্দেশসমূহ মানি চলিবলৈ আহ্বান জনাইছে লগতে এই সময়ত হ'ব পৰা ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি ৰাজ্যত বিশেষকৈ উজনি অসমত প্ৰাদুৰ্ভাৱ ঘটা এনকেফেলাইটিছ ৰোগৰ বিষয়ে স্বাস্থ্য বিভাগে গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থা সম্পৰ্কে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। উজনি অসমৰ যোৰহাট, শিৱসাগৰ, মাজুলি আৰু গোলাঘাট জিলালৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এটা বিশেষজ্ঞৰ দল প্ৰেৰণ কৰা হৈছে বুলি স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। জিলাসমূহত ভিতৰুৱা অঞ্চলসমূহতো মহৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ ধোৱা দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি শ্ৰীমহন্তই জানিবলৈ দিয়ে। ইয়াৰ লগতে বিশেষজ্ঞৰ দলটোৱে ৰোগৰ উৎস আৰু প্ৰসাাৰৰ কাৰণ বিশ্লেষণ কৰিব বুলি তেওঁ সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। ইতিমধ্যে ৪ খন জিলাৰ আয়ুক্তৰ সৈতে পোনপটীয়াকৈ কথা পাতিছে বুলি কলিয়াবৰত আজি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমক অৱগত কৰে।

০০০০০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয় সভাকক্ষত যোৰহাট জিলা আয়ুক্তৰ সভাপতিত্বত গ্ৰীষ্মকালীন ৰোগ প্ৰতিৰোধ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। জিলাখনত গ্ৰীষ্মকালীন ৰোগ তথা মহ, মাখি আদিৰ দ্বাৰা সংক্ৰমিত হ'ব পৰা বিভিন্ন ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে স্বাস্থ্য বিভাগ আৰু চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষক কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰসমূহত কাৰ্যবাহী দণ্ডাধীশসকলৰ উদ্যোগত এই সন্দৰ্ভত সজাগতামূলক সভা অনুষ্ঠিত কৰাৰ লগতে অন্যান্য জনসচেতনতামূলক ব্যৱস্থা লোৱাৰ বিষয়ে জিলা আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে।

ইয়াৰ লগতে আজি যোৰহাট পৌৰসভাৰ বিভিন্ন ৱাৰ্ডত চাফাই কৰ্মীসকলে পথৰ কাষৰ নৰ্দমা, পদপথ আদি পৰিস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০

**সমাপ্ত**